**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**:::::::::::::::::::**

১। অসম বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনত প্ৰচাৰত অংশ লৈছে।

২। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি নতুনকৈ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱায়।

৩। দেশৰ জোৱানসকলক উন্নত স্বাস্থ্য সেৱা প্ৰদান কৰাত চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৪। অৰুণাচল প্ৰদেশ চৰকাৰৰ ৰাজহুৱা ঠিকা প্ৰদানত হোৱা অনিয়মৰ অভিযোগ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে চি বি আইক প্ৰাৰম্ভিক তদন্তৰ নিৰ্দেশ দিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ’বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি বৰপেটা ৰোডত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোডীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে। এই দশকটোত জনসাধাৰণে নিৰাপত্তাহীনতা পৰিৱেশৰ পৰা সকাহ লাভ কৰিছে বুলি তেওঁ কয়। আন্তগাঁথনি উন্নয়নৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰাজ্যখনত যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ফলত পৰ্য্যটনক্ষেত্ৰৰ বিকাশ হৈছে। তেওঁ ৰাজনৈতিক প্ৰক্ৰিয়াত মহিলা সকলৰ অধিক অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(বাইট)

প্ৰধানমন্ত্ৰীয়ে আজি হোজাই, আৰু ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব।

দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি বৰাক উপত্যকাত উপস্থিত হৈ কাইলৈ পাথাৰকান্দিৰ দুখন নিৰ্বাচনী সভাত অংশ ল’ব। তেওঁ শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশ ল’ব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ ল’ব।। কাইলৈ তেওঁ এখন সংবাদমেলত ভাগ ল’ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি

ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা। দলৰ নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াও ব্যাপক প্ৰচাৰ চলাই আছে। শ্ৰী গগৈয়ে আজি ৰহাত প্ৰচাৰ চলায়।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথৰ বিহালীত বিজয় সংকল্প সভাত অংশ লয়। তেওঁ বৰচলা, বিশ্বনাথ, কলিয়াবৰ, বঢ়মপুৰ, তেজপুৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। দলৰ জেষ্ঠ্য নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেল সম্বোধন কৰে। নেতাগৰাকীয়ে আজি নগাওঁত প্ৰচাৰ চলোৱাৰ কথা। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিত আজি ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰে প্ৰচাৰ চলায়।

০০০০০০০

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি নতুনকৈ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱায়। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামদাস বন্দু আঠাৱালে আৰু জ্যেষ্ঠ এন চি পিৰ জ্যেষ্ঠ নেতা শাৰদ পাৱাৰ ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। মহাৰাষ্ট্ৰৰ পৰা দুয়োগৰাকী নেতা পুনৰ নিৰ্বাচিত হৈছে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি কেইবাগৰাকীও সদস্য সণ্টুপ মিশ্ৰ, মনমোহন ছামাল, ড০ জ্যোতি নাগনাথ ৱাঘমাৰে আৰু ৰামৰাও সখাৰাম ৱাডকুটেকো ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰোৱায়।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কৈছে যে দেশৰ জোৱানসকলক উন্নত স্বাস্থ্য সেৱা প্ৰদান কৰাত চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। তেওঁ কয় যে দেশৰ জোৱানসকলে সকলো পৰিস্থিতি তথা অতি প্ৰতিকূল বতৰৰ মাজতো দিনে নিশাই দেশৰ সেৱাত ব্ৰতী থাকে। নতুন দিল্লীত আজি সেনাবাহিনী চিকিৎসা ক'ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। সেনাবাহিনীৰ লোকসকলে যাতে উন্নত চিকিৎসা সুবিধা লাভ কৰিব পাৰে তাৰ বাবে দেশৰ আন প্ৰান্ততো ৰিছাৰ্চ এণ্ড ৰেফাৰেল হাস্পতালৰ সুবিধা থকাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে মিলিটেৰী নাৰ্ছিং চাৰ্ভিছৰ নাৰ্চসকলৰ সেনাবাহিনীৰ চিকিৎসাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰে যদিও অৱসৰ গ্ৰহণ কৰাৰ পাছত তেওঁলোকক প্ৰাক্তন সেনাবাহিনীৰ মৰ্যাদা দিয়া হোৱা নাছিল। সেয়েহে চৰকাৰে তেওঁলোকক প্ৰাক্তন সেনাবাহিনীৰ মৰ্যাদা দিয়াৰ সিদ্ধান্ত লৈছে বুলি তেওঁ অৱগত কৰে।

০০০০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি কৈছে যে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত জাপানৰ সৈতে ভাৰতৰ সহযোগিতা দেশৰ গোলকীয় সম্পৰ্কৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য স্তম্ভ হিচাপে বিবেচিত হৈছে। বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন বিনিয়োগৰ ভাৰত-জাপান বৰ্ষৰ গ্ৰেণ্ড ফিনালে উপলক্ষে ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰি ড০ সিঙে ৪০ বছৰীয়া ভাৰত-জাপান সম্বন্ধৰ দ্বিপাক্ষিক আৰু বিভিন্ন খণ্ডত বৃদ্ধি হোৱা সহযোগিতাৰ কথা উল্লেখ কৰে। শ্ৰীসিঙে লগতে বিগত বৰ্ষত প্ৰধানমন্ত্ৰী মোদীয়ে জাপান ভ্ৰমণ কৰাৰ সময়ত কৰা চুক্তিৰ কথা উল্লেখ কৰে। দুয়োখন দেশৰ মাজত গৱেষণা, ষ্টাৰ্টআপ আৰু উদ্যোগ খণ্ডত সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে স্বাস্থ্যতন আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু জাপানৰ প্ৰতিষ্ঠান JASAৰ সৈতে LUPEX নামৰ যুটীয়া চন্দ্ৰ অভিযানৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰে। উন্নত প্ৰযুক্তি, গোলকীয় প্ৰত্যাহ্বান আৰু বহনক্ষম বিকাশৰ ক্ষেত্ৰত অধিক সহযোগিতাৰে

জাপানৰ প্ৰযুক্তি আৰু দেশৰ প্ৰতিভাধৰসকলে গৱেষণাৰ ক্ষেত্ৰত আৰু অধিক আগুৱাই যাব পাৰে বুলি তেওঁ উল্লেখ কৰে।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপিৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দলৰ নেতা-কৰ্মীসকলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দলটোৱে সমাজক সেৱা কৰাৰ বাবে সদায় প্ৰস্তুত হৈ থাকে আৰু ভাৰত প্ৰথম নীতি অনুসৰণ কৰে। তেওঁ লগতে কয় যে বিজেপিৰ নেতা-কৰ্মীসকল নিঃস্বাৰ্থ সেৱাৰ বাবে জনাজাত আৰু সুপ্ৰশাসনৰ বাবে গভীৰ দায়বদ্ধতাৰে সমৰ্পিত। শ্ৰীমোদীয়ে লগতে বিগত দশককেইটাত দলটোক গঢ় দিয়াৰ ক্ষেত্ৰত নিঃস্বাৰ্থভাৱে আৰু সমৰ্পিত মনোভাৱেৰে অৰিহণা আগবঢ়োৱা নেতা-কৰ্মীসকলক শ্ৰদ্ধাৰে সুঁৱৰিছে।

গৃহ মন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি আৰু দলৰ ভালেমান শীৰ্ষ নেতাই দলটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে নেতা-কৰ্মীসকলৰ প্ৰতি শুভেচ্ছা জনাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে দলটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি কেৰালমৰ তিৰুৱনন্থপুৰমৰ দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয় মোৰাৰজী ভৱনত দলীয় পতাকা উত্তোলন কৰে। তেওঁ লগতে দলটোৰ মহান নেতা শ্যামা প্ৰসাদ মুখাৰ্জী, দীনদয়াল উপাধ্যায় আৰু কে জি মৰাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে। কাৰ্যসূচীত ৰাজ্যিক সভাপতি ৰাজীৱ চন্দ্ৰ শেখৰ উপস্থিত থাকে।

ooooooooo

উচ্চতম ন্যায়ালয়ে অৰুণাচল প্ৰদেশ চৰকাৰে ৰাজহুৱা ঠিকা প্ৰদানত হোৱা অনিয়মৰ অভিযোগ সন্দৰ্ভত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইক প্ৰাৰম্ভিক তদন্তৰ নিৰ্দেশ দিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু তেওঁৰ আত্মীয়ৰ সৈতে যোগাযোগ থকা কোম্পানীৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হৈছিল। উচ্চতম ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত চি বি আইক ১৬ সপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিছে। এই প্ৰতিবেদনৰ ভিত্তিত বিষয়টোক লৈ স্বতন্ত্ৰ অনুসন্ধানৰ প্ৰয়োজন আছে নে নাই এই কথা বিবেচনা কৰা হ'ব। এই তদন্ত প্ৰক্ৰিয়াই ২০১৫ চনৰ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ডিচেম্বৰলৈ অনুমোদন দিয়া ঠিকাসমূহ সামৰি ল'ব। চি বি আইয়ে প্ৰয়োজন সাপেক্ষে এই সময়চোৱাৰ বাহিৰতো অনুমোদন দিয়া ঠিকা সমূহৰ তথ্য গ্ৰহণ কৰিব পাৰে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে ৰাজ্যখনৰ চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহক এই তদন্তৰ সময়ত চি বি আইক সহযোগিতা আগবঢ়োৱৰ লগতে ৪ সপ্তাহৰ ভিতৰত প্ৰয়োজনীয় তথ্য সমূহ যোগান ধৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি কোনো তথ্য যাতে নষ্ট কৰা নহয় এই কথা নিশ্চিত কৰিবলৈও কোৱা হৈছে। ইয়াৰ লগতে ৰাজ্যখনৰ মুখ্য সচিবক চি বি আইক তদন্তৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে এসপ্তাহৰ ভিতৰত এগৰাকী ন'ডেল বিষয়া নিয়োগ কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

দেশৰ মহিলা সকলৰ সুৰক্ষা আৰু মৰ্য্যদা ৰক্ষাৰ বাবে শক্তিশালী আইনৰ ব্যৱস্থা আছে আৰু এই আইনৰ সুবিধা গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহতকাৰে মহিলা সকলৰ প্ৰতি আহ্বান জনাইছে। আকাশবাণীয়ে নতুন দিল্লীত আয়োজন কৰা মহিলা কেন্দ্ৰীক বিষয় আৰু সবলীকৰণ শীৰ্ষক কৰ্মশালাত অধ্যক্ষা গৰাকীয়ে লিংগ সমতাৰ বিভিন্ন বিষয় উত্থাপন কৰি এি সন্দৰ্ভত সজাগতা সৃষ্টিৰ পোষকতা কৰে। তেওঁ কয় যে লিংগ নিৰ্বিযেশে সকলোৰে প্ৰতি সম সন্মান প্ৰদৰ্শনৰ লগতে প্ৰত্যেকেই সমান সুবিধা লাভ কৰা উচিত। এই সন্দৰ্ভত তেওঁ কৰ্মক্ষেত্ৰত মহিলাক যৌন নিৰ্যাতন প্ৰতিৰোধ, নিষেধ

আৰু মীমাংসা আইন ২০১৩ আৰু গাৰ্হস্থ্য হিংসা প্ৰতিৰোধ আইনৰ ধাৰা সমূহৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত মহিলাসকলক সজাগ হোৱাৰ বাবে আহ্বান জনায়। তেওঁ লগতে যৌন নিৰ্যাতন প্ৰতিৰোধী আইনৰ অধীনত কৰ্মস্থানত আভ্যন্তৰীণ সমিতি গঠনৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে, যোৱানিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৪৩ ৰানত পৰাস্ত কৰে। প্ৰতিযোগিতাত কালি হায়দৰাবাদত অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে, ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত